Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সপ্তম শ্ৰেণীৰ বাবে

অংকুৰণ

পাঠ - ৮

মিছাইল মানৱ

অংশ - ১

পুণ্যব্ৰত বৰদলৈ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ৰকেট উৎক্ষেপণ কেন্দ্ৰৰ অভ্যন্তৰীণ ভাগৰ ছবি





Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

১৯৮০ চনৰ ১৮ জুলাইৰ পুৱা ৮ বাজি ৩০ মিনিট গৈছে। ৰোহিণী উৎক্ষেপণৰ অগ্নি প্ৰজ্বলিত হৈছে। সেই সময়ত 'ভাৰতীয় মহাকাশ বিজ্ঞান সংস্থা (ISRO)'ৰ অভ্যন্তৰীণ ভাগত বিজ্ঞানীসকলে কম্পিউটাৰৰ মনিটৰত উদ্‌গ্ৰীৱ হৈ নিৰীক্ষণ কৰি আছে। তাত থকা সঞ্চালকজনে দহ, ন, আঠ.....এক বুলি ওলোটা গণনা কৰি ৰোহিণী উৎক্ষেপণৰ নিৰ্দেশনা দি আছে। তাৰ পাছতে আকাশৰ নিৰ্দিষ্ট কক্ষপথত কৃত্ৰিম উপগ্ৰহ ৰোহিণী সফলভাৱে উৎক্ষেপণ কৰা হ'ল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তাকে দেখি বিজ্ঞানীসকল আনন্দত আত্মহাৰা হ'ল। এই সমস্ত সফলতাৰ আঁৰৰ ব্যক্তিজন কোন জানানে? তেৱেই হ'ল এৰ'নেটিক ইঞ্জিনিয়াৰ আবুল পাকিৰ জয়নালআবেদীন আব্দুল কালাম। ১৯৭৯ চনৰ ১০ আগষ্ট তাৰিখে এছ. এল. ভি.-৩ (S.L.V.-3)ৰ পৰীক্ষামূলক উৎক্ষেপণত তেওঁলোক কিন্তু বিফল হৈছিল। এই বিফলতাই কালামক হতাশ কৰিছিল আৰু তেওঁ সঞ্চালক পদৰ পৰা পদত্যাগ কৰিব বিচাৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কিন্তু তেওঁৰ শিক্ষাগুৰু আৰু পথ প্ৰদৰ্শক অধ্যাপক সতীশ ধাৱানৰ পৰামৰ্শ আৰু অনুপ্ৰেৰণাৰ বাবে তেওঁ পদত্যাগৰ মত সলনি কৰি দুগুণ উৎসাহেৰে কাম কৰি সফলতাৰ মুখ দেখিবলৈ সক্ষম হৈছিল। এয়াই আছিল ভাৰতৰ মাটিত প্ৰথমবাৰৰ বাবে নিজাববীয়াকৈ কৃত্ৰিম উপগ্ৰহৰ সফল উৎক্ষেপণ। কালামৰ নেতৃত্বত মাত্ৰ দহ বছৰৰ ভিতৰতে ভাৰতে পাঁচটা অতি গুৰুত্বপূৰ্ণ মিছাইল প্ৰকল্প বাস্তৱত ৰূপায়ণ কৰিবলৈ সক্ষম হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ই ভাৰতক মহাশক্তিধৰ ৰাষ্ট্ৰত পৰিণত কৰিলে। প্ৰকল্প পাঁচটা হ'ল- নাগ, পৃথ্বী, আকাশ, ত্ৰিশূল আৰু অগ্নি। এই ক্ষেপণাস্ত্ৰসমূহৰ বাবেই ভাৰতৰ প্ৰতিৰক্ষা বিভাগ পৃথিৱীৰ ভিতৰতে যথেষ্ট শক্তিশালী। এই কৃতিত্বৰ বাবেই আব্দুল কালাম ভাৰতৰ 'মিছাইল মানৱ' নামেৰে প্ৰখ্যাত হৈ পৰিল।

আব্দুল কালাম বাল্যকালৰ পৰাই আন আন ছাত্ৰতকৈ কিছু ব্যতিক্ৰমী স্বভাৱৰ আছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আকাশৰ বিশালতা আৰু উৰন্ত চৰাইজাকৰ ৰহস্যই তেখেতক স্কুলীয়া জীৱনৰ পৰাই প্ৰভাৱান্বিত কৰিছিল। সেয়েহে আব্দুল কালামে সহপাঠীসকলৰ সৈতে প্ৰায়েই সাগৰৰ উপকূললৈ গৈছিল।



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তাত সাৱেং আৰু গঙা-চিলনী চৰাইবোৰে আকাশী-পথত উৰি থাকিবলৈ কৰা প্ৰচেষ্টাক তেখেতে গভীৰভাৱে নিৰীক্ষণ কৰিছিল। চৰাইৰ দৰে তেখেতৰো আকাশৰ উচ্চতালৈ উৰিবলৈ অদম্য হেঁপাহ জাগিছিল। স্কুলীয়া জীৱনৰ সেই ইচ্ছা কালক্ৰমত সফল হ'ল।

কৰ্ম জীৱনৰ অৱসৰৰ পাছত তেখেতে ভাৰতবৰ্ষৰ দৰে বৃহত্তম গণতান্ত্ৰিক দেশখনৰ ৰাষ্ট্ৰপতিৰ আসন অলংকৃত কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তেখেতে এই পদত অধিষ্ঠিত হৈ দেশখনৰ উন্নয়নৰ সপোন দেখিছিল। সকলো শিক্ষার্থীৰ সৈতে আব্দুল কালামে অতি আন্তৰিকতাৰে ভাব বিনিময় কাৰ আনন্দ লাভ কৰিছিল। তেখেতে সদায় নতুন প্ৰজন্মৰ মন প্ৰজ্বলিত কৰি ৰখাটো বিচাৰিছিল। তদুপৰি তেখেতে আমাৰ শিক্ষা ব্যৱস্থাত সৃজনশীল বিষয়ত গুৰুত্ব দিছিল। সময়ৰ লগত খাপ খাব পৰাকৈ আমাৰ শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন হোৱাটো তেখেতে বিচাৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

'অকণিহঁতৰ প্ৰজ্বলিত মনেই দেশৰ আটাইতকৈ শক্তিশালী সম্পদ' এই চিন্তাৰে তেখেতে দেশৰ প্ৰায় লক্ষাধিক ছাত্ৰ-ছাত্ৰীক লগ কৰিছিল। কালামে অকণিহঁতক উপদেশ দিছিল- 'সপোন দেখা, সপোন দেখা, সপোনেই চিন্তালৈ পৰিৱৰ্তন হ'ব আৰু চিন্তাৰ ফলশ্ৰুতিয়েই হ'ল কাম।'

এইগৰাকী বিজ্ঞানীয়ে মনে-প্ৰাণে সকলো বিষয়তে ভাৰত এখন উন্নত আৰু শক্তিশালী ৰাষ্ট্ৰ হোৱাটো বিচাৰিছিল। সেয়েহে যুৱ সমাজক তেখেতে ভাৰতৰ ভৱিষ্যতৰ চালিকা শক্তি হিচাপে গণ্য কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আব্দুল কালামৰ মতে- 'শিশুৰ ১৫ বছৰ বয়সলৈকে পিতৃ-মাতৃ, প্ৰাথমিক আৰু হাইস্কুলৰ শিক্ষকসকল আদৰ্শ নায়ক।'

বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উপৰি সংগীত আৰু সাহিত্যৰ অনুৰাগী কালামৰ সৰলতা আৰু কৰ্মদক্ষতা তেখেতৰ ব্যক্তিত্বৰ প্ৰধান ভূষণ আছিল। ৰাষ্ট্ৰপতি পদৰ পৰা অৱসৰ লোৱাৰ পাছতো তেখেতে বিভিন্ন সমাজহিতকৰ কামত নিজকে নিয়োজিত কৰি ৰাখিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বিশেষকৈ বিদ্যার্থীসকলৰ সৈতে ভাব বিনিময়ত অগ্রাধিকাৰ দিছিল। তাৰ বাবে তেখেতে দেশৰ বিভিন্ন প্রান্তৰ শিক্ষানুষ্ঠানসমূহত মূল্যৱান বক্তৃতা প্রদান কাৰিছিল। ২০১৫ চনৰ ২৭ জুলাই তাৰিখে শ্বিলঙৰ 'ভাৰতীয় ব্যৱস্থাপনা প্রতিষ্ঠান' (Indian Institute of Management) ত অংশগ্রহণ কৰি ভাষণ দি থকা অৱস্থাতেই তেখেতে মৃত্যুক আঁকোৱালি লৈছিল।

Under CSR Support by ipca Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। 'মিছাইল মানৱ' নামেৰে কাক জনা যায়?

(ক) ডঃ এ. পি. জে. আব্দুল কালাম

(খ) ভি. কেশব ৰাজু

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। আব্দুল কালামে শেষ নিশ্বাস ক'ত ত্যাগ কৰিছিল?

(ক) শ্বিলঙত

(খ) দিল্লীত